# স্মৰণিকা

## সংগীতা বৰঠাকুৰৰ সোঁৱৰণত

জন্ম ঃ ১৬-০৭-১৯৬৩

মৃত্যু ঃ ০৮-০৩-২০১৬

প্ৰকাশক

শিক্ষক গোট, নাৰেঙ্গী আঞ্চলিক মহাবিদ্যালয়

গুৱাহাটী-৭৮১১৭১

PKBhatta
Personal copy.

# শোক প্ৰস্তাৱ

জন্ম-১৬-৭-১৯৬৩
মৃত্যু- ৮-৩-২০১৬

নাৰেংগী আঞ্চলিক মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যাপক, অৰ্থনীতি বিভাগৰ মুৰব্বী, একনিষ্ঠ শিক্ষাব্ৰতী, গুৱাহাটী বিশ্ববিদ্যালয়ৰ গৱেষক, প্ৰেৰণাদাত্ৰী সকলোকে আশাৰ বাণীৰে সাহস যোগোৱা, সংগীতা বৰঠাকুৰৰ আকস্মিক পৰলোক প্ৰাপ্তিত নাৰেংগী আঞ্চলিক মহাবিদ্যালয় পৰিয়ালৰ সকলো সদস্যই মৰ্মাহত হৈছো। বিদেহী আত্মাৰ সদ্‌গতিৰ প্ৰাৰ্থনাৰ লগতে শোক সন্তপ্ত পৰিয়াল বৰ্গলৈ আমি গভীৰ সমবেদনা জ্ঞাপন কৰিলো।

মহাবিদ্যালয় পৰিয়াল

# স্মৰণিকাঃ সংগীতা বৰঠাকুৰৰ সোঁৱৰণত

**সম্পাদনা সমিতি**

নীৰা দাস
সুমিত্রা চেত্রী
ড° কৰবী গোস্বামী
মিনু দাস
জয়ন্ত বৰুৱা
মৃণাল শৰ্মা

**প্ৰকাশক**

শিক্ষক গোট,
নাৰেঙ্গী আঞ্চলিক মহাবিদ্যালয়
গুৱাহাটী-৭৮১১৭১

# সংগীতাৰ সোঁৱৰণত

**নীৰা দাস**
মূৰব্বী অধ্যাপক, অসমীয়া বিভাগ

মৃত্যু চিৰন্তন সত্য। মানুহ জন্মিলে মৰিবই লাগিব। কিন্তু অকাল মৃত্যু? ইয়াক জানো গ্ৰহণ কৰিব পাৰি? কিন্তু নিয়তিয়ে যেন সকলো কৰিব পাৰে। নিয়তিৰ কি নিষ্ঠুৰ পৰিহাস। ইয়াক কোনে ৰোধিব? যোৱা ৮ মাৰ্চ ২০১৬ৰ "আন্তৰ্জাতিক নাৰী দিৱস'ৰ দিনাখন আমাৰ অতি আপোন, অতি মৰমৰ, সাদৰি 'সংগীতা বৰঠাকুৰ'ৰ পৰলোক প্ৰাপ্তি ঘটে। আমি সকলোৱে তেওঁৰ মৃত্যুৰ বাতৰি পাই অতি মৰ্মাহত হৈছোঁ। কাৰণ ই অকাল মৃত্যু। যাৰ ফলত সাদৰি সংগীতাৰ বহু কৰ্মই আধৰুৱা হৈ ৰৈ গ'ল। সময় ইমান নিষ্ঠুৰ, ভাবিব নোৱাৰি। ৮ মাৰ্চৰ সেই দিনটোত মৃত্যুৰ সৈতে যুঁজি অৱশেষত তাই হাৰ মানিলে। সেইদিনাখন মৃত্যুৰ বাতৰি নোপোৱাকৈয়ে মই মোৰ পুত্ৰৰ সৈতে নেমকেয়াৰ হস্পিতেললৈ সংগীতাৰ খবৰ কৰিবলৈ দৌৰি গৈছিলোঁ। গৈ পায়ে দেখিলোঁ ইতিমধ্যে সকলো শেষ হৈ গৈছে। সংগীতাৰ নিঠৰ দেহ পৰি থকা দেখি শোকত ভাঙি পৰিছিলোঁ। হুকহুকাই কান্দিছিলোঁ। হে ভগৱান! এনে হ'ব বুলি কেতিয়াও ভবা নাছিলোঁ।

১৯৯১ চনৰ ২ চেপ্তেম্বৰত আমাৰ নাৰেংগী আঞ্চলিক মহাবিদ্যালয় স্থাপিত হৈছিল। সেই সময়ৰ পৰা মই, অৰ্চনা, ৰীতা আৰু সংগীতা- আমি চাৰিওগৰাকী এই মহাবিদ্যালয়ত কৰ্মৰত হৈ আজিলৈকে চলি আছোঁ। আমি চাৰিওজনী যেন মহাবিদ্যালয়ৰ চাৰিটা খুটাহে। আজি হঠাৎ এটা খুটা খহি পৰিল। সংগীতাৰ মৃত্যুয়ে আমালৈ এটা জোকাৰণি আনিলে। সুদীৰ্ঘ ২৫ বছৰ আমি চাৰিওগৰাকীয়ে একেলগে সময় অতিবাহিত কৰিছোঁ। আমি এজনে আনজনৰ কিমান আপোন। যেন এটা পৰিয়ালহে ।এইবাৰ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱসৰ দিনাখন আমি চাৰিওগৰাকীয়ে একপি ফটো উঠাৰ যো-জা কৰিছিলোঁ। সেইদিনা সংগীতাৰ ভাগত 'খাদ্য বিভাগৰ' দায়িত্ব পৰিছিল। ফলত খোৱা- লোৱাৰ ফালে বেছিকৈ গুৰুত্ব দিবলগীয়া হোৱাত সংগীতা তাতে ব্যস্ত

হৈ পৰিছিল। আমি তিনিও গৰাকীয়ে তাইক বিচাৰি মাতি অনাই ওচৰত থিয় কৰাই '২৫ বছৰ' বুলি লিখা পোষ্টাৰখনৰ ওচৰত ফটো একপি উঠিছিলোঁ। সেইদিনা নিজৰ দায়িত্বৰ প্ৰতি তেওঁ কিমান সচেতন আছিল সেইটো গম পাইছিলোঁ।

সংগীতাৰ কেইদিনমান আগতে মোৰ সৈতে অতি আন্তৰিকতাৰে কথা বাৰ্তা পাতিছিল। তেতিয়া মই সংগীতাক সুধিছিলোঁ- "সংগীতা অৱসৰ গ্ৰহণ কৰাৰ পিছত আমি বাৰু 'Bore' হৈ যাম নেকি? সংগীতাই কৈছিল -কেলেই আমি সামাজিক কাম-কাজ কৰিম দিয়া।" মই কৈছিলোঁ- মই মাতিলে তুমি চাগে কবা - "এতিয়া মই নাতিক স্কুললৈ নিব লাগে। নহয় নে?" - মই এইদৰে কোৱাত সংগীতাই খুব হাঁহিছিল। মইও হাঁহিছিলোঁ। কিন্তু আজি এই মূহুৰ্তত এই কথাখিনি মনত পৰাত মই খুব দুখ অনুভৱ কৰিছোঁ। কাৰণ ইমান কম সময়ৰ ভিতৰত ইমান অবাঞ্চিত পৰিৱৰ্তন কামনা কৰা নাছিলোঁ।

এইবাৰ সৰস্বতী পূজাত মই আমাৰ সহকৰ্মী সকলৰ 'মাক- জীয়েক' সকলৰ ফটো তুলি ফুৰিছিলোঁ। এইদৰে ফটো তুলি থাকোতে সংগীতা আৰু যুথিকা দুয়ো একেলগে বহি কথা পাতি আছিল। তেতিয়া দুয়োগৰাকীয়ে মোক কৈছিল "নীৰা, আমাৰো ফটো একপি তোলা না।" মইও ধেমালীৰ সুৰত কৈছিলোঁ- 'এইবাৰ কেৱল 'মাক-জীয়েক' বোৰৰহে ফটো লোৱা হ'ব।' তেওঁলোক দুয়োগৰাকীয়ে আকৌ হাঁহি হাঁহি ফটো তোলাৰ কথা কোৱাত মই 'বাৰু কৈছা যেতিয়া একপি ফটো উঠাও বুলি কৈ ফটো তুলিলোঁ। আজি দেখিলো যে সংগীতাৰ সেই ফটোকপিয়ে হ'ল মই মবাইলত তোলা সংগীতাৰ শেষ ফটোকপি।

আজি হাড়ে-হিমজুৱে উপলব্ধি কৰিছোঁ সংগীতা তুমি যে কিমান ভাল আছিলা। তুমি এগৰাকী সাদৰী নাৰী আছিলা। তোমাৰ সাদৰী মাতে সকলোকে মোহিত কৰিছিল। তুমি মৰমলগা, ধীৰ, স্থিৰ, নম্ৰ স্বভাৱৰ গৰাকী আছিলা। মাৰ্জিত সাজ-সজ্জাৰে, টুক টুক শব্দৰে খোজকাঢ়ি নম্ৰভাবে নিজৰ বিভাগত

প্ৰৱেশ কৰাৰ সেই দৃশ্য মই ছাগে জীৱনত পাহৰিব নোৱাৰিম। আমাৰ মনত তোমাৰ স্মৃতি সদায় বিৰাজমান হৈ থাকিব। সদায় মন কৰিছিলোঁ তুমি নিজ কৰ্ম একান্ত মনোগ্ৰাহিতাৰে পালন কৰিছিলা। গৱেষণা কৰ্ম কৰাৰ বাবে তোমাৰ একান্ত আগ্ৰহ থকা হেতুকে সেই কৰ্ম একান্ত মনোগ্ৰাহিতাৰে পালন কৰিছিলা। আচলতে তোমাৰ সকলো কাম- কাজ পৰিপাটি আছিল। ঘৰখনৰ দায়িত্ব, পৰিয়ালৰ দায়িত্ব, মাতৃৰ দায়িত্ব, বাই-ভনীৰ দায়িত্ব, জেঠাইৰ দায়িত্ব সকলো নিয়াৰিকৈ পালন কৰিছিলা। মহাবিদ্যালয়ৰ কাম-কাজসমূহ একান্ত নিয়াৰিকৈ চলাই নিছিলা। তাৰ মাজতে সময় সুবিধা উলিয়াই তোমাৰ মৰমৰ একমাত্ৰ কন্যা 'মিকা' লৈ ফোন কৰি খা-খবৰ লৈছিলা। এক অন্তৰংগ মূহূৰ্তত তুমি তোমাৰ স্বামীদেৱৰ কথাও মোৰ আগত ব্যক্ত কৰিছিলা। তোমাৰ কথাৰ পৰা মই অনুভৱ কৰিছিলোঁ। তোমাৰ স্বামী কিমান সৎ আৰু নিকা ভাবাপন্ন ব্যক্তি। তাৰোপৰি ছাত্ৰ-ছাত্ৰীৰ উন্নতিকল্পে তুমি যৎপৰোনাস্তি চেষ্টা কৰিছিলা। তোমাৰ মাৰ্জিত ব্যৱহাৰে ছাত্ৰ-ছাত্ৰীসকলক মোহিত কৰিছিল। আজি তোমাৰ অনুপস্থিতিত আমি শোকাভিভূত হৈ পৰিছোঁ। আমি আটায়ে তোমালৈ অশ্ৰু অঞ্জলি যাচিছোঁ। তোমাৰ বিদেহী আত্মাই চিৰশান্তি লাভ কৰক। ভগৱানৰ ওচৰত এয়ে মোৰ প্ৰাৰ্থনা।

*****

*কিশোৰী অৱস্থাত*

# "শ্ৰদ্ধাৰ সংগীতা বাইদেউলৈ সহস্ৰ প্ৰণাম"

**বনশ্ৰী দেৱী**
সহঃ অধ্যাপক, ৰাজনীতি বিজ্ঞান বিভাগ

সংগীতা বাইদেউ, কোনো পধ্যে মানি লব পৰা নাই কেনেদৰে নিষ্ঠুৰ নিয়তিয়ে আপোনাক আমাৰ মাজৰপৰা, মৰমৰ মিকাজনিৰ হাজাৰ প্ৰাৰ্থনাৰ মাজতো কেনেদৰে লৈ গ'ল! এতিয়াওঁ এনে লাগে আপুনি যেন অৰ্থনীতি বিভাগৰ কক্ষত প্ৰৱেশ কৰিব আহি আমাক দেখি অকণমানি হাতখন দাঙি ক'ব "আহি আছো ৰ'বা।" বেগটো নিজৰ কোঠাত থৈ আমাৰ বিভাগৰ কোঠাত আহি লাহে লাহে কৈ যাব 'মাৰ কথা, মিকাৰ কথা ..........., মনদি শুনি যাব আমাৰ কথাবোৰ....।

সংগীতা বাইদেউ আছিল সদায় ধিৰস্থিৰ। কেতিয়াওঁ কোনো কথাত বাইদেউক বিচলিত হোৱা দেখা নাছিলো। যোৱা ২০১৫ বৰ্ষৰ আমাৰ মহাবিদ্যালয়ৰ পৰীক্ষা চলোৱাৰ দায়িত্ব কাক দিয়া হ'ব সেই বিষয়ে তালিকা বনাই থকা হৈছিল। বাইদেউৱে মোক আহি ক'লে 'বনশ্ৰী, 6th Semester ৰ দায়িত্বত মোৰ লগতে তোমাৰ নামটো দি আহিছো। আমি দুজনীয়ে চলাম দিয়া" বাইদেউৰ দৰে এগৰাকী অভিজ্ঞতা সম্পন্ন লোকৰ লগত পৰীক্ষা চলাবলৈ পাই বৰ ভাল লাগিছিল, তেতিয়া জনাটো নাছিলো সেয়াই যে হ'ব বাইদেউৰ অন্তিম পৰীক্ষাৰ তত্বাবধায়ক। বাইদেউৱে পৰীক্ষাৰ আটাইবোৰ কাম বৰ নিখুত ভাৱে কৰিছিল। কেতিয়াবা পৰীক্ষা সম্পৰ্কীয় কোনো কামত খেলি মেলি হ'লে বাইদেউৱে নিজে দায়িত্বলৈ কামটো সুন্দৰকে কৰে আৰু হাঁহি মাৰি কোমল মাতটোৰে কয় "এতিয়া হ'ল? কামৰ মাজত ঘৰৰ পৰা কাৰোবাৰ Phone আহিলে তেওঁলোকৰ কথাবোৰ শান্ত বাৰে শুনে আৰু প্ৰয়োজনীয় পৰামৰ্শ আগবঢ়াই। পৰীক্ষা চলাওতে মোৰ লগত হোৱা এটা অভিজ্ঞতাই মোক বৰ আচৰিত কৰিছিল। পৰীক্ষা চলাই থাকোতে আমাৰ দুবেলা পৰীক্ষা থাকিলে

কেতিয়াবা কলেজত ভাত খুৱাই। সেইদিনা খুব সম্ভৱ প্ৰথমদিনাৰ পৰীক্ষা আৰম্ভ হৈছিল। বাৰটো আছিল মঙ্গলবাৰ। বাইদেউৱে নিৰামিষ খায়। সিমিত ধনেৰে আমাৰ খোৱাৰ আয়োজন কৰিব লাগে বাবে সাধাৰণতে ভাতৰ লগত কনীৰ আঞ্জা আছিল। দাইল নাছিল। বাইদেউৱে সুদা ভাত কেইটাকে তৃপ্তিৰে খালে। খায় উঠি চাউল কেইটা ভাল আছিল বুলি শলাগিলে। মোৰ আচৰিত লাগিছিল তেখেত সুদা ভাতকেইটাতো সন্তুষ্ট।

তেখেতক দেখিলে কিবা এটা স্বৰ্গীয় সৌন্দৰ্য্য মুখত দেখা পোৱা যায়। কেতিয়াও বয়সৰ চাপ নপৰা বাইদেউক দেবীৰ দৰে লাগিছিল। নাজানো ভগৱানে কি উদ্দেশ্যে ইমান কম দিনৰ বাবে বাইদেউক এই পৃথিৱীলৈ পঠিয়াইছিল। ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা কৰিছো তেখেতৰ ঘৰখনে, মৰমৰ মিকা জনীয়ে বাইদেউ বিহীন জীৱন সুকলমে আগবাঢ়ি যাওক। সংগীতা বাইদেউ আপুনি পৰম পিতা পৰমেশ্বৰৰ কাষৰ পৰা সদায় আশীৰ্বাদ কৰিব এনে শোক যাতে আৰু কোনেও পাব লগা নহয়। আপোনাৰ অভাৱ আমি প্ৰতিটো মুহূৰ্ততে উপলব্ধি কৰিম।

*****

*শৈশৱ কালত*

# সংগীতা বাইদেউৰ ব্যক্তিত্ব আৰু কিছু কথা

**ডঃ সৰোজ কাকতি**
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ

**প্ৰেৰণা দাত্ৰী—**

১৯৯৩ চনৰ পৰা সংগীতা বৰঠাকুৰ বাইদেউক নাৰেংগী আঞ্চলিক মহাবিদ্যালয়ত সহকৰ্মী হিচাবে লগ পাইছোঁ। এই সুদীৰ্ঘ কালত আমি বহুতো সংঘাতৰ ধুমুহা বৰষুণ অতিক্ৰম কৰিছোঁ, কিন্তু কোনো দিন তেখেতৰ মুখত নেতিবাচক বা নিৰুৎসাহজনক কথা শুনা নাছিলো। পৃথিৱীৰ মানুহবোৰক ইতিবাচক আৰু নেতিবাচক এই দুটা ভাগত ভগাব পাৰি—সংগীতা বাইদেউ ইতিবাচক গুণ সম্পন্ন ব্যক্তিত্বৰ অধিকাৰী কাৰণে নানা বিপদ বিঘিনিৰ সময়তো সাহস, শান্তনা আৰু আশাৰ কথা শুনাইছিল। আমাৰ ব্যক্তিগত জীৱনলৈ এসময়ত এনে দিন আহিছিল যিবোৰ দিনত অতি আপোন জনেও মোৰ ওপৰত অনাস্থা প্ৰকাশ কৰি বাক্যালাপ পৰ্যন্ত বন্ধ কৰিছিল, সেইবোৰ দিনতো কিন্তু তেখেতে আশা; আস্থা আৰু সহানুভূতিৰে কৈছিল—“ তুমি চিন্তা নকৰিবা, সকলো এদিন থিক হৈ যাব, আমি জানো নহয় কোন কেনেকুৱা মানুহ, চাবা ভগৱানে এদিন তোমালোকৰ মংগল কৰিব। ” বিপদৰ মাত, আকালৰ ভাত, মানুহৰ জীৱনৰ মহামূল্যবান সম্পদ। সেই সম্পদৰ গৰাকী আছিল সংগীতা বাইদেউ। যিকোনো ভাল কাম কৰিলে তেখেতে উৎসাহ প্ৰদান কৰিছিল, কামটোৰ প্ৰশংসা কৰিছিল। **যি সকল ব্যক্তিৰ মনত অহংকাৰ নাথাকে, শ্ৰদ্ধাবান, ঈৰ্ষাহীন, পৰোপকাৰী সেইসকল ব্যক্তিয়েহে আনৰ ভাল কামৰ প্ৰশংসা কৰিব পাৰে।** কলেজৰ কোনো সভাত ভাষণ দিয়াৰ আগতে বাইদেৱে প্ৰায়েই কৈছিল, —“সৰোজ মই কিন্তু তোমাৰ ভাষণ শুনিবলৈ বৈ আছোঁ।” ভাষণ দিয়াৰ পাছতো প্ৰচুৰ উৎসাহ পূৰ্ণ কথাৰে হৃদয় মন ওপোচাই তুলিছিল। এই কথা ভাবি আজি চকুলো নিগৰি আহিছে।

**গুণমুগ্ধৰ আক্ষেপ—**

এনে এগৰাকী সৎ ভক্তিমান ব্যক্তিৰ, ভগৱানৰ মন্দিৰত অগ্নিদগ্ধ ৰূপ দেখি বহু গুণমুগ্ধই আক্ষেপ কৰি কৈছে—যদি ভগৱানৰ ওচৰত চাকি জ্বলাবলৈ যাওতে ভক্ত অগ্নিদগ্ধ হ'ব লগা হয় তেন্তে ভগৱানৰ অস্তিত্বই বা ক'ত ? ভক্তিৰ মহিমাই বা ক'ত ? অথবা ভগৱানক মানি চলাৰ যুক্তিয়েই বা কি ?

প্ৰথম কথা হ'ল ভগৱানৰ সংজ্ঞা কি ?— যি সকলে ভাল কাম কৰে সেই সকলেই ভগৱান। অৰ্থাৎ ভগৱান হৈছে মানুহৰে অতি উন্নত অৱস্থা— যি অৱস্থাত তেওঁৰ সকলো চিন্তা আৰু কৰ্ম মংগলময় হৈ উঠে। এটা সময়ত তেওঁলোৰ নশ্বৰ দেহৰ পৰিবৰ্তন (মৃত্যু)ঘটে আৰু তেওঁলোকৰ আদৰ্শসমূহ তেওঁলোকৰ কৰ্মৰ মাজেৰে আমাৰ মাজত থাকি যায়। ইয়াৰে কিছুমান ব্যক্তিয়ে সূক্ষ্ম শৰীৰেৰে আমাৰ মাজত থাকে কিন্তু আমি ভবাৰ দৰে ভগৱানে কাকো সকলো সময়তে ৰখি নাথাকে বা পুৰস্কাৰ বা শাস্তি প্ৰদান কৰি নুফুৰে। পুৰস্কাৰ বা দণ্ড মানুহজনৰ কৰ্ম ফলেই প্ৰদান কৰে অৰ্থাৎ সকলোবোৰ প্ৰকৃতিৰ নিয়ম অনুসৰি স্বয়ংক্ৰিয় ভাবে চলি থাকে।

**মৃত্যু মানে পৰিবৰ্তন, সমাপ্তি নহয়—**

দাৰ্শনিক সেটলে কৈছিল—**"পৃথিৱীত মৃত্যু বুলি কোনো কথা নাই, যি আছে সেয়া হ'ল পৰিবৰ্তন।"**

মৃত্যু মানেই যে ভয়ানক শাস্তি বা মহা অনৰ্থ তেনে কথা নহয়— মৃত্যু মানে এটা অৱস্থাৰ পৰা আন এটা অৱস্থালৈ পৰিবৰ্তন। জন্মও সেইদৰে এটা অৱস্থাৰ পৰা আন এটা অৱস্থালৈ আমাৰ পৰিবৰ্তন। এই পৰিবৰ্তন আমাৰ এইটো জীৱনতে হাজাৰ লাখ বাৰ সংঘটিত হৈছে কিন্তু আমিতো সেইবোৰ পৰিবৰ্তন বা মৃত্যুৰ বাবে কেতিয়াও দুখ কৰা নাই, বা তাক শাস্তি বুলিও ভবা নাই। আমাৰ পৌগণ্ড (কেচুঁৱা অৱস্থা) শৈশৱ, কৈশোৰ, যৌৱন, প্ৰৌঢ়ত্ব আদি বহু অৱস্থাৰ পৰিবৰ্তন বা মৃত্যু ঘটিছে কিন্তু তাৰ বাবে দুখ প্ৰকাশ নকৰো বৰঞ্চ জন্মদিনৰ আনন্দ প্ৰকাশ কৰিছোঁ। এখন নৈৰ পানী যিদৰে কোনো মুহূৰ্ততে একে

নহয়, তেনেকৈ জীৱনৰো কোনো এটা মুহূৰ্ত আন এটা মুহূৰ্তৰ সৈতে একে নহয়। ভ্ৰম বা মায়াৰ কাৰণে আমি নৈৰ পানীবোৰ আৰু আমাৰ জীৱনটো একে বা এটাই বুলি ভাবি থাকো।

নিজৰ ইচ্ছাবোৰ পূৰণ কৰিবলৈ বা কৰ্মবোৰ সমাপন কৰিবলৈ, প্ৰতি গৰাকী মানুহে এই সংসাৰলৈ অতি কম দিনৰ বাবেহে আহে। জন্মৰ দিনাই আমাৰ মৃত্যুৰ দিনটো থিক হৈ যায়, যি কোনো এটা চেলু লৈ সময় আহিলে আমাৰ শৰীৰটো নষ্ট হৈ যায়, কিন্তু ইয়াৰ অৰ্থ এইটো নহয় যে মানুহ গৰাকীয়ে কিবা শাস্তি পাইছে। ৰামকৃষ্ণ পৰম হংসৰ এই শৰীৰটোৰ সামৰণি পৰিছিল কেন্সাৰ বেমাৰত, বিবেকানন্দৰ মধুমেহৰ লগতে একাধিক ৰোগ হৈছিল, যৌৱন কালতে ইহলীলা সম্বৰণ কৰিছিল, শংকৰাচাৰ্য্যৰ হৈছিল ভগন্দৰ ৰোগ, শংকৰদেৱৰ হৈছিল বিষাল ফোহা— এনেকুৱা বহুত উদাহৰণ দিব পাৰি, ইয়াৰ অৰ্থ হৈছে তেখেতসকলৰ দৰে মহাপুৰুষৰ জীৱনৰ পৰিৱৰ্তন হৈছিল একোটা নিৰ্দ্দিষ্ট সময়ত। অভিপ্ৰেত কৰ্মখিনি শেষ কৰি আন এখন জগতলৈ সকলোৱে গুছি যায়, সময় হ'লে ইচ্ছা ৰূপায়নৰ বাবে আকৌ ইয়ালৈ আহে তাকে আমি জন্ম বুলি কও। সেয়ে মহাভাৰতত কৈছে—**"মৃত্যু বোলা কথাটো জীৱনৰ হিতৰ কাৰণে হোৱা এটা ব্যৱস্থা মাথোন।"**

বিজ্ঞানৰ কোৱাণ্টাম সূত্ৰৰ মতে বিচাৰ কৰিলেও দেখা যায় এখন ব্ৰহ্মাণ্ডৰ একেসময়তে কেবাটাও অস্তিত্ব থাকে— আমাৰ জীৱনৰো থাকে, ইয়াত কোনোৱা অদৃশ্য হলেও আন এখন বা একাধিক ব্ৰহ্মাণ্ডত জীৱন চলি থাকে। আমাৰ কাৰো অস্তিত্বৰ সামৰণি নপৰে, কাৰণ শক্তি বা পদাৰ্থৰ নিত্যতাৰ সূত্ৰ সাৰ্বজনীন—ইয়াৰ এটা ৰূপৰ পৰা আন এটা ৰূপলৈ পৰিবৰ্তন হয়, সমাপ্তি নহয়। ইয়াৰ বাবে ভগৱান বা আন কাৰোৱাক জগৰীয়া কৰাৰো যুক্তি নাই, অথবা ইয়াৰ প্ৰতিবাদ কৰি ভগৱান বা ভালকামৰ বিৰুদ্ধাচৰণ কৰাৰো যুক্তি নাই। ভূমিকম্প আহিলে ভগৱানৰ মন্দিৰো ভাঙি চুৰমাৰ হয়, অৰ্থাৎ পৰম শক্তিৰ নিয়ম সকলোৰে বাবে প্ৰযোজ্য। বহুতে ভাবে ভগৱান মানেই পৰম শক্তি। পৰম

শক্তি হৈছে সেই অখণ্ড, সৰ্বব্যাপক মহাশক্তি য'ৰ পৰা ভগৱান, মানুহ, অমানুহ, জীৱজন্তু সকলোৱে শক্তি আহৰণ কৰে। বেয়াকাম কৰাবোৰে সেই শক্তি বেয়াকামত আৰু ভাল কাম কৰা সকলে সেই শক্তি ভাল কামত ব্যৱহাৰ কৰে।

সেইকাৰণে এটা কথা সকলোৰে মংগলৰ বাবে কৈ থোৱা ভাল— মানুহ ভক্তি পৰায়ণ হ'ব লাগে কিন্তু সকলো পাহৰি নহয়, মই ভগৱানক ভক্তি কৰো গতিকে ভগৱানে মোৰ সমস্ত দায়িত্ব গ্ৰহণ কৰিব লাগিব, এই ভাৱ কেতিয়াও গ্ৰহণ কৰিব নালাগে। ভক্তি তেতিয়াহে সিদ্ধ হয় যেতিয়া তাৰ লগত জ্ঞান আৰু কৰ্মৰ সঠিক মিলন হয়।

**জীৱন কেতিয়া শিল্প হয় ?——**

জীৱনৰ সাৰ্থকতা তাতেই, যেতিয়া আত্মীয় সকলে শোকৰ চকুলোৰে সন্মান জনাই কোনোৱা এগৰাকীক বিদায় দিয়ে, পাপ কামত লিপ্ত, দুৰ্নীতি পৰায়ণ মানুহে এই খিনি সন্মান কেতিয়াও লাভ কৰিব নোৱাৰে। আনৰ ঘৃণাৰ থুই খেকাৰ মূৰত লৈয়েই বেয়াকাম কৰাসকলে এই জগতৰ পৰা বিদায় ল'ব লগা হয়। কোনেও তেনেকুৱা মানুহৰ অভাব অনুভৱ নকৰে। বাহিৰত দেখুৱাই শোক প্ৰকাশ কৰিলেও মনতে ভাবে এটা আপদ গ'ল, ভালেই হ'ল। তথাপিও মানুহে বুজিবলৈ চেষ্টা নকৰে। এই দুদিনীয়া জীৱনত,ভালকাম কৰাৰ হেজাৰ সুযোগ পৰি থাকিলেও তেওঁলোকে তাক দেখা নাপায়। প্ৰথমে নিজৰ, তাৰ পাছত পৰিয়ালৰ, চুবুৰীয়াৰ, তাৰ পৰা সমাজৰ বাবে যিকোনো প্ৰকাৰে মানুহে ভাল কাম কৰি যাব পাৰে। মানুহে অকল টকা পইচা দিয়েই যে আনৰ ভাল কৰিব পাৰে তেনে কথা নহয়, আনৰ ভাল চিন্তা কৰি, উৎসাহ দি, ভাল কামৰ বাবে প্ৰেৰণা যোগাই , সমাজৰ ধন আত্মসাৎ নকৰি সমাজক উন্নতিৰ পথলৈ আগুৱাই যোৱাত সহায় কৰিও মানুহে ভাল কাম কৰিব পাৰে। তেতিয়াহে মৃত্যু শিল্পত পৰিণত হয়—— "জীৱনৰ কঠিন শিলত কটা যেন এটা নিৰ্লোভি ভাস্কৰ্য" হয়। সংগীতা বাইদেৱে এই সন্মানেৰে বিদায় লৈছে কাৰণে তেখেতৰ জীৱন সাৰ্থক, এটা সুন্দৰ শিল্পৰ দৰে।ঃঃ

*****

# সংগীতাৰ বাইদেউৰ সোঁৱৰণত

**শ্ৰীমৃণাল মেধি**
উপাধ্যক্ষ, নাৰেঙ্গী আঞ্চলিক মহাবিদ্যালয়

যোৱা ৮ মার্চ ২০১৬ চনৰ নিশা প্ৰায় ৯ মান বজাত ফোনটো বাজি উঠিল। খৰধৰকৈ গৈ ফোনটো ধৰিলো। সেইটো মুৰৰ পৰা চিনাকী কণ্ঠস্বৰ ভাহি আহিল ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপকা ৰ'জী পটংগীয়াৰ পৰা। অকণো পলম নকৰাকৈ কান্দোন ভৰা কণ্ঠস্বৰে মোক জনালে আমাৰ সকলোৰে শ্ৰদ্ধাৰ অতি মৰমৰ সংগীতা বাইদেউ আৰু নাই। যিমান সোনকালে পাৰো Nemcare Hospital লৈ যোৱাৰ কাৰণে লৰা ধপৰা কৰিলোঁ। আমাৰ মহাবিদ্যালয়ৰ বাণিজ্যিক বিভাগৰ প্ৰৱক্তা বিশ্বজিৎ বৈশ্যৰ সৈতে আমাৰ লক্ষ্যস্থান গৈ পালো কিন্তু সংগীতা বাইদেউক প্ৰত্যক্ষ কৰিব নোৱাৰিলো।

পিছদিনা ৰাতিপুৱা ৯ মান বজাত আকৌ বিশ্বজিৎক লৈ Nemcare Hospital ত উপস্থিত হ'লো। কাকো লগ নাপাই হোমেশ্বৰ কলিতা আৰু প্ৰফুল্ল বৰাক Hospital লৈ মাতিলো। তাৰ পিছত Reception Counter খবৰ কৰি গম পালো বাইদেউ সেই সময়ত মৰ্গত আছে। আৰক্ষীৰ চিনাক্তকৰণৰ বাবে মৰ্গৰ পৰা উলিয়াই অনাৰ পিছত, মইয়ে বগা কাপোৰেৰে ঢকা মৃতদেহটোৰ পৰা শুভ্ৰ বগা কাপোৰখন আতৰাই দিওঁ। বাইদেউৰ সেই শান্ত অমায়িক স্বভাৱৰ মুখখন প্ৰত্যেক্ষ কৰি কান্দোন ৰাখিব নোৱাৰিলো, ফেকুৰি উঠিলো। আমি চাৰি জনৰ সৈতে সেই সময়ত বাইদেউৰ স্বামীৰ অফিচৰ মানুহেৰে গোটেই Hospital খন ঠাহ খাই পৰিছিল। আটাই বোৰ লগ লাগি Post Mortem ৰ কাৰনে G.M.C. Hospital লৈ যাও। পিছত ঘৰ আৰু কলেজ, শেষত নৱগ্ৰহ শ্মশানত চিৰ বিদায় দি ঘৰলৈ উভতি আহো।

সংগীতা বাইদেউ আছিল সকলো ব্যক্তিক সমান চকুৰে চাব পৰা এগৰাকী সৎ গুণসম্পন্ন অধ্যাপিকা। কোনো দিনে কাৰো লগত উচ্চস্বৰত কথা

নাপাতিছিল। মাৰ্জিত সাজ-পোছাক পৰিধান কৰি সকলোৰে দৃষ্টি আকৰ্ষণ কৰি স্বভাৱ সুলভ ভংগীভাবে সকলো সহযোগীৰ সৈতে মত- বিনিময় কৰিছিল। এনে এগৰাকী সহজ সকল বাইদেউক আমাৰ মাজৰ পৰা এটা দুৰ্ঘটনাত হেৰুওৱাব লগা হোৱাত আমি সকলোবে মৰ্মান্তিক আঘাত পাইছো। তেখেতৰ অকাল মৃত্যুৱে আমাক শোকস্তব্ধ কৰি ৰাখিছে।

ভগৱানৰ ওচৰত আমি সকলোৱে প্ৰাৰ্থনা কৰো যাতে তেখেতৰ বিদেহী আত্মাই চিৰ-শান্তি লাভ কৰক।

*****

*পৰিয়ালৰ সৈতে*

# “মোৰ মৰমৰ সংগীতা বৰঠাকুৰ বাইদেউৰ সোঁৱৰণত”

জোনালী তালুকদাৰ
সহঃ অধ্যাপক, ইতিহাস বিভাগ

মৃত্যু সদায় কৰুণ, আজন্ম জুৰি ব্যাপ্ত অলেখ সম্পৰ্ক, মৰম ভালপোৱা, আবেগ, অনুভূতি, স্পৰ্শ স্মৃতি হৈ পৰে এই মৃত্যুৰ লগত। অসহনীয় যন্ত্ৰনাদয়ক, অতি কঠোৰ মৰ্ম্মান্তিক, বেদনা দায়ক এই মৃত্যুৰ অনুভূতি, প্ৰহেলিকাময় সাঁথৰ এটি মৃত্যু। এটি জীৱনৰ ক'ত দায়িত্ব, ক'ত কৰ্তব্য নিমিষতে ধুলিসাৎ হৈ যায় এটি মৃত্যুৰ লগে লগে। গুৰুজনাই ইয়াৰ উচিত বিশ্লেষণ সেয়েহে এই বৰগীতটোৰে এনেদৰে কৰিছে-

পাৱে পৰিহৰি
কৰোহো কাতৰি,
প্ৰাণ ৰাখবি মোৰ
বিষয় বিষধৰ বিযে জৰ জৰ
জীৱন নাৰহে থোৰ
অথিৰ ধন জন, জীৱন যৌৱন, অথিৰ এহু সংসাৰ
পুত্ৰ পৰিবাৰ, সবহু অসাৰ কৰব কহেৰি সাৰ..........

কিন্তু অবয়সত হোৱা মৃত্যু হয় অধিক মৰ্মান্তিক, অধিক স্পৰ্শকাতৰ যিয়ে আমাক যি যায় এক মচিব নোৱাৰা নিৰ্মম গভীৰ সাঁচ। ঠিক তেনেকুৱা এটি মৃত্যু আছিল আমাৰ মহাবিদ্যালয়ৰ সকলোৰে অতি মৰমৰ, শ্ৰদ্ধাৰ সংগীতা বৰঠাকুৰ বাইদেউৰ। এক বিশেষ ব্যক্তিত্বৰ গৰাকী শান্ত, নম্ৰ, নিজু অতি মৰমলগা আছিল আমাৰ সংগীতা বা, কেতিয়াও কাকো এযাৰ টান কৈ নোকোৱা, মৰমসনা দৃষ্টিৰে চোৱা, যেতিয়াই দৰকাৰ হয় সহায়ৰ হাত আগবঢ়োৱা এটি বহল মনৰ গৰাকী আছিল সংগীতা বা। কৰ্মক্ষেত্ৰত তেওঁ আছিল অতি দায়িত্বপৰায়না। ঠিক তেনেদৰে তেওঁ লৈছিল নিজৰ ঘৰখনৰ অপৰিসীম দায়িত্ব, যিখন ঘৰ

তেওঁ অবিহনে হৈ পৰিছে স্তব্ধ অন্ধকাৰময়।

সংগীতা বা- নিজৰেই বিশ্বাস হোৱা নাই যে মই আপোনাৰ স্মৃতিত এনেদৰে লিখি আছো। হনুমান মন্দিৰত এগছী চাকী জ্বলাবলৈ গৈ নিষ্ঠুৰ নিয়তিৰ হাতত আপোনাৰ জীৱন বন্তি গছি এনেদৰে নুমাই গ'ল। ভগৱান ইমান নিষ্ঠুৰ। ইমান নিষ্ঠুৰ ভাগ্যৰ পৰিণতি। সংগীতা বা আপোনাৰ লগত ইমান মিঠা মিঠা স্মৃতি জৰিত হৈ আছে যে তাক উল্লেখ কৰি শেষ কৰিব নোৱাৰো। আমাৰ ইতিহাস বিভাগৰ পৰা আয়োজিত Essay Competition ৰ বাবে অৰ্থনীতি বিভাগৰ ছাত্ৰ-ছাত্ৰী সকলে যোগদান কৰিবলৈ আগ্ৰহ প্ৰকাশ নকৰাত আপুনি আগভাগ লৈ ছাত্ৰছাত্ৰী সকলক কি বুজালে নাজানো যে বহুকেইজন ছাত্ৰ-ছাত্ৰা আহি উৎসাহেৰে যোগদান কৰি Essay Competition টো সাফল্যমণ্ডিত কৰি তুলিলে আৰু 1st Prize টো আপোনাৰ বিভাগৰ ছাত্ৰই লাভ কৰিলে। আপুনি পোৱা সন্তোষৰ হাঁহিটো কেতিয়াও পাহৰিব নোৱাৰিম। Phd Entrance ৰ বাবে Notes বোৰ দি কৰা সহায় আৰু মিচিকিয়া হাঁহিটোৰে দিয়া উৎসাহখিনি মই কেনেকৈ পাহৰিব পাৰো। অৰ্থনীতি বিভাগলৈ গ'লে মিচিকিয়া হাঁহিটোৰে মৰম সনা মাতেৰে কোৱা কথাখিনি - 'বহাচোন থিয় হৈ হৈ কেলেই কথাপাতিছা— মই ইনভাক্চন এখন ৰাখিছো নহয়... চাহ খোৱা বহাচোন... আজিও কানত বাজি আছে সংগীতা বা। আপোনাৰ হাতেৰে বনোৱা - পাপৰ চাদ, দহিবৰা...। আপোনাৰ ধুনীয়া ধুনীয়া শাৰী মেখেলা-চাদৰ আৰু Essay Matching গহনাবোৰলৈ মই বৰকৈ চকু দিছিলো সংগীতা বা। গোসানীৰ দৰে সুন্দৰ মুখখনেৰে মৰমলগা সংগীতা বা আৰু তাৰ লগতে প্ৰস্ফুতিত বিশেষ ব্যক্তিত্বৰ মানুহ গৰাকীক মই কেতিয়াও পাবৰিব নোৱাৰো। আপুনি অবিহনে গোটেই কলেজখন, কমনৰূম, শ্ৰেণীকোঠাবোৰ নিষ্প্ৰাণ হৈ পৰিছে। আপোনাৰ অভাৱ কেতিয়াও পূৰ নহব। আপোনাৰ মৃত্যুয়ে ইমান মানুহক মৰ্মাহত কৰিছে সেয়া অবৰ্ণনীয়। আপুনি য'তে আছে চিৰ শান্তিত থাকক। মিকা আৰু ভিনদেউ কুশলে থাকক। আপোনাৰ আশীৰ্বাদ সদায় কাম্য মোৰ বাবে।

*****

# " অনুভৱ..."

**শ্ৰীজয়ন্ত বৰুৱা**
সহকাৰী অধ্যাপক, অৰ্থনীতি বিভাগ

২৩ ফেব্ৰুৱাৰী ২০১৬ এটা গতানুগতিক দিন। ৰাতিপুৱা কলেজ গৈ পাঠদান কৰি অৰ্থনীতি বিভাগলৈ ওভটি আহি প্ৰত্যক্ষ কৰিলো সকলো বোৰৰ মন বিষণ্ণ। আমাৰ বিভাগৰ মুৰব্বী অধ্যাপিকা সংগীতা বাইদেউক মন্দিৰৰ চাকিৰ জুয়ে অগ্নিদগ্ধ কৰিছে। ১০৮ এম্বুলেঞ্চেৰে নেমকেয়াৰ হস্পিতাললৈ লৈ যোৱা হৈছে। অলপ সময়ৰ পিছত যুথিকা বাইদেউৰ লগত নেমকেয়াৰ হস্পিতাল পালেগৈ। ICU ত ৰাখিছে বাইদেউক। ৩৫% অগ্নিদগ্ধ হৈছে। চিকিৎসক সকলে আশ্বাস দিছে ভয়ৰ কোনো কাৰণ নাই। কিছু সময়ৰ পিছত আমি কলেজলৈ ওভটি আহিলো।

নাৰেংগী আঞ্চলিক মহাবিদ্যালয়ত অৰ্থনীতি বিভাগৰ সহকাৰী অধ্যাপক হিচাপে নিযুক্ত হৈছিলো ১ আগষ্ঠ ১৯৯৭ চন। সংগীতা বাইদেউ আছিল মূৰব্বী অধ্যাপিকা। কিন্তু বাইদেউক কলেজত সোমোৱাৰ বহু আগৰ পৰাই ভালদৰে জানিছিলোঁ। তেখেত মোৰ প্ৰতিবেশী। বাইদেউৰ ঘৰৰ সন্মুখেৰে সদায় অহা যোৱা কৰো।

বাইদেউ সুস্থ হৈ উঠিব। আমাৰ সকলোৰে দৃঢ় বিশ্বাস। হস্পিতাললৈ গৈ পৰিয়ালৰ সদস্য সকলক লগ পাওঁ। তেওঁলোকৰ অটল বিশ্বাস বাইদেউ লাহে লাহে সুস্থ হৈ উঠিব। হস্পিতাল গৈছো কিন্তু বাইদেউক প্ৰত্যক্ষ কৰাৰ সুযোগ পোৱা নাই।

বাইদেউ এই কেইদিন যে নাই, বিভাগটো উকা উকা হৈ আছে। যন্ত্ৰৰ দৰে শ্ৰেণীত পাঠদান কৰি আছো। বাইদেউ চাগৈ কিমান যন্ত্ৰনাত চট্‌ফটাই আছে। ভাবিলে মনটো সেমেকি উঠে। কিন্তু বাইদেউ আহিবই সুস্থ হৈ

বাইদেউৰ বহু পৰিকল্পনা-Journal ওলাব লাগিব, ছাত্ৰ-ছাত্ৰী খিনি Survey ত লৈ যাব লাগিব ইত্যাদি ইত্যাদি।

কিন্তু এয়া কি? আমাৰ সকলোৰে প্ৰাৰ্থনা আৰু দৃঢ় বিশ্বাসক কটাক্ষ কৰি নিষ্ঠুৰ নিয়তিয়ে কুটিল হাঁহি মাৰিলে। ৮ মাৰ্চ ২০১৬ গধুলি ৭.৫০ বজাত অতি শ্ৰদ্ধাৰ সংগীতা বাইদেউ চিৰদিনৰ বাবে আমাৰ সকলোৰে মাজৰ পৰা আতৰি গ'ল। ৰিক্ত কৰি থৈ গ'ল অৰ্থনীতি বিভাগ তথা, আমাৰ মহাবিদ্যালয়।

সংগীতা বাইদেউ যে নাই সেয়া মানি লবলৈ অতি টান হৈছে। বাইদেউৰ সকলোলতকৈ ভাল লগা গুণটো হ'ল নম্ৰতা। অতি পৰিপাটি আৰু সুন্দৰকৈ সাজি- কাচি সাক্ষাৎ গোসাঁনী সদৃশ আছিল বাইদেউ। আনৰ ভাল দেখি গুণ গোৱাটো বাইদেউৰ স্বভাৱ সুলভ বৈশিষ্ট্য। বিভাগটোৰ প্ৰতিটো কাম আমাৰ বিভাগীয় সকলো গৰাকী অধ্যাপকৰ লগত আলোচনা কৰি সিদ্ধান্তত উপনিত হয়। বাইদেউৰ লগত প্ৰতিটো ব্যক্তিগত সুখ দুখৰ কথা আলোচনা কৰিছিলো।

এগৰাকী কৃতি শিক্ষয়িত্ৰীৰ ওপৰিও বাইদেউ আছিল সুদক্ষ ৰান্ধনী। বাইদেৱে সযতনে বনোৱা দহি বড়া আছিল সকলোতকৈ উৎকৃষ্ট। বাইদেৱে গজা খাব খুব বেয়া পাইছিল। বিভাগৰ বিভিন্ন মেল মিটিংত খোৱাৰ দায়িত্ব মোৰ ভাগত পৰিলে বাইদেউক জোকাও গজা খুৱাম বুলি। বাইদেৱে হাঁহি হাঁহি কয় "মোৰ ভাগৰ গজাটো তুমিয়ে খাবা জয়ন্ত।" এনেদৰে হাঁহি ধেমালিৰে বিভাগ তথা কলেজৰ বিভিন্ন কাম কৰি গৈছিলো বাইদেউৰ লগত।

কিন্তু এতিয়া আৰু বাইদেউ নাই আমাৰ মাজত। আছে মাত্ৰ বাইদেউৰ সজীৱ স্মৃতি। আপুনি য'তেই আছে বাইদেউ শান্তিৰে থাকক, আপোনাৰ কৰ্মৰাজি হওঁক আমাৰ সকলোৰে বাবে অনুপ্ৰেৰণাৰ উৎস।

*****

# " সংগীতাবালৈ একাজলি অশ্রুঅঞ্জলি "

ড° কৰবী গোস্বামী
সহঃ অধ্যাপক, দৰ্শন বিভাগ

সময় নদীত উটি যায়
বহু পল অনুপল
পৰি ৰয় স্মৃতিৰ মণিকোঠাত
মাথো তাৰ সোনালী বালিকণা...............।
পৰা হ'লে (যদি)
উভতি বোৱাব
সময়ৰ চিৰপ্ৰৱাবমান গতি.........।
হাহাকাৰ হৃদয়
পৰিশ্ৰান্ত মন..........
কিয় জানো হৃদয়ে যেন
নোখোজে মানিব
সময় যে এনেকুৱাই
কেতিয়াও উভতি নবয়.........।

৮ মাৰ্চ আন্তৰ্জাতিক নাৰী দিৱস। দিনত নাৰী দিৱসৰ সভা কলেজত সুকলমে হৈ গ'ল আৰু তাৰ পিছতেই আহিল অপ্ৰত্যাশিত খবৰটো, যিয়ে জোকাৰি গ'ল সকলোৰে হৃদয় 'সঙ্গীতাবা আৰু নাই"।

২৩ ফেব্ৰুৱাৰী মঙ্গলবাৰ যুথিকাবা, বনশ্ৰী আৰু মই কলেজত বহি কথা পাতি আছিলো। হঠাৎতেই যুথিকাবাৰ ফোনটো বাজি উঠিল। সংঙ্গীতাবাৰ ড্ৰাইভাৰ জনে ফোনকৰি খবৰ দিলে যে হনুমান মন্দিৰত চাকি জ্বলাওতে সঙ্গীতাবাক জুয়ে পুৰিলে। ১০৮ এম্বুলেঞ্চ মাতি নেমকেয়াৰ হস্পিতাললৈ নিছে। সেইদিনাই সুমিত্ৰাৰ লগত হস্পিতাল পালোগৈ। দুৱাৰৰ ফাকেৰে আমি দুয়ো তাইক চালো, শুই আছিল। চকু মেলি, আমাক দেখি ইঙ্গিতেৰে ভিতৰলৈ,

মাতিলে। আমিও ইঙ্গিতেৰে ভিতৰলৈ যাব নোৱাৰি বুলি ক'লো। তাই আকৌ চকু টিপিয়াই ইঙ্গিত দিলে 'একো নহয় আহা'। সেই দৃশ্যটো হয়তো মোৰ চকুৰ পৰা কেতিয়াও মচ্ নাখাব। সেইদিনটোৰ পৰা দুসপ্তাহ পিছত ৮ মাৰ্চ মঙ্গলবাৰে আমাৰ সকলোৰে প্ৰাৰ্থনা আৰু বিশ্বাসক ধূলিসাৎ কৰি সঙ্গীতা বা গ'লগৈ, আমাৰ ডাঙৰ পৰিয়ালটোৰ পৰা।

শান্ত অমায়িক মৃদুভাষী, সঙ্গীতাবাক ভাল নোপোৱা মানুহ হয়তো এজনো নোলাব। ব্যক্তিত্বই যাৰ পৰিচয়। সকলোৰে সদায় মঙ্গল কামনা কৰা, সঙ্গীতাবাৰ ব্যক্তিত্বৰ এক সুকীয়া বৈশিষ্ট। খোৱা বোৱা কাপোৰ কানি সকলোতে এক সুন্দৰ ৰুচিবোধৰ পৰিচয় ফুটি উঠে। মোৰ ল'ৰাৰ উপনয়ত আহিব নোৱাৰি পিছত এদিন আমাৰ ঘৰলৈ আহিছিল। সেইদিনা সঙ্গীতাবাৰ নৱৰাত্ৰী ব্ৰতৰ অন্ত পৰিছিল। মই ৰান্ধি দিয়া পদিনা, আলু দম, পনীৰ, লুচি খাই মোক উৎসাহিত কৰিবলৈ কোৱা কথাবোৰ কেতিয়াবা পাহৰিব পাৰিম জানো। 'আজি ব্ৰত ভঙাৰ দিনা তুমি ৰন্ধা খাই বৰ ভাল লাগিলে, লুচিখনো ইমান কোমল বনাইছা"। ভাল হওঁক বা নহওঁক ইমান সুন্দৰকৈ প্ৰশংসা কৰি কয় কথাবোৰ। কলেজৰ সকলোৰে ল'ৰা ছোৱালীৰ Result ত খবৰ লোৱা উপহাৰ দি আগলৈও ভাল কৰিবলৈ উৎসাহ দিয়া, এইবোৰ কথা কেতিয়াবা পাহৰিব পাৰিম জানো। ধুনীয়া শাৰীবোৰ পিন্ধিলে সদায় জোঁকাও 'ভিনদেৱে আনি দিছে ন, । ভিনদেউৰ পচণ্ড বৰ ভাল"। সঙ্গীতাবাই মিচিকিয়া হাঁহি এটা মাৰে।

নাৰী দিৱসৰ দিনা মহিলা কোষৰ Reseach Journal 'শক্তি The Strenght ৰ ২য় খণ্ডটি উন্মোচন কৰাৰ কথা। তাত চাৰি নম্বৰ পেপাৰ খন সঙ্গীতাবাৰ। সেইখন লিখোতে বাৰে বাৰে Revise কৰে। "কৰবী দি আছো ৰবা আৰু কিবা থাকি গ'ল নেকি চাই লওঁ।" মুঠতে Perfect হব লাগিব। 'শক্তি'ৰ Printing আগতেই হৈছিল মই এদিন ক'লো- "সঙ্গীতাবা চাব নেকি Copy এটা?" তেখেতে কলে- "উন্মোচন হৈ লওঁক দিয়া, তেতিয়া চাম"। নাৰী দিৱসৰ দিনা 'শক্তি' উন্মোচন কৰা হ'ল কিন্তু সেইদিনাই সঙ্গীতা বা

গ'লগৈ, 'শক্তি'খন চোৱা আৰু নহ'ল। আমাক সকলোকে কন্দুৱাই, সদায় ঈশ্বৰৰ কথা কোৱা সঙ্গীতাবা ঈশ্বৰৰ ওচৰলৈ গ'লগৈ। কবিৰ ভাষাৰে

"ভাগি গ'ল বীণ খনি
চিগি গ'ল তাৰ
ৰৈ গ'ল অৱশেষ
অমিয়া জোঁকাৰ"

সঙ্গীতাবাৰ বিদেহী আত্মাই চিৰশান্তি লাভ কৰক।

*****

সঙ্গীত চৰ্চাৰ এটা মূহুৰ্ত্ত

# " সংগীতা বাইদেউৰ সোঁৱৰণত "

**সেৱিকা দাস**
সহঃ অধ্যাপক, দৰ্শন বিভাগ

মৃত্যু নীল অসহ্য জ্বালাময়
যেন মানুহৰ অস্বিত্বৰ শূণ্যতা
তথাপিও.....
জীৱন আহে কাৰনেই মৃত্যুও আহে
সেইবাবেই ই এক নিষ্ঠুৰ
কৰুণতম সত্য !!!

লিখনিৰ আৰম্ভণিতেই মই সংগীতা বাইদেউক অশ্রুসিক্ত নয়নেৰে এমুঠি শ্ৰদ্ধাঞ্জলি যাচিছো।

মৃত্যু চিৰ শ্বাস্বত। কবিৰ ভাষাত ই এটা শিল্প আৰু প্ৰকৃতিৰ নিয়ম। জন্মিলে মৃত্যু চিৰন্তণ সত্য। মৃত্যুক ৰোধ কৰাৰ কোনো উপায় আজিলৈ উদ্ভাৱণ হোৱা নাই। মানুহ আৰু জীৱন সময়ৰ সোতত আগবাঢ়ি থকা এটা ধাৰা এই ধাৰাত সুখ আৰু দুখ জীৱনৰ দুয়োটা দিশেই অস্থায়ী। মৃত্যু এক শ্বাস্বত সত্য আৰু ই যেন আৱৰণহীন তেনেই কঠিন এক মূহূৰ্ত।

৮ মাৰ্চ ২০১৬ চন, মঙ্গলবাৰ। সন্ধিয়া প্ৰায় ৮ বাজো বাজো। সচাকৈয়ে আমাৰ বাবে এটা অমানিশাৰ দিন। আমি তেতিয়া "উত্তৰ বঙ্গ বিশ্ববিদ্যালয়, চিলিগুৰি" ৰ কেম্পাচতে থকা গেষ্ট হাউচত। মোৰ সহকৰ্মী মিনুৰ পৰা এটা ফোন পালো। সংগীতা বাইদেউ আৰু নাই। কব নোৱাৰাকৈয়ে মোৰ দুচকুলো বৈ আহিল। অলপ সময়ৰ বাবে মৃত্যুৰ বাতৰিটো সহজভাবে গ্ৰহণ কৰিব পৰা নাছিলো। সেই মূহূৰ্ত্তত মোৰ মন মগজুৰে পাৰ হৈ গ'ল তেখেতৰ সতে সান্নিধ্য লাভ কৰা বিভিন্ন ঘটনাৰ বিভিন্ন স্মৃতিৰ টুকুৰা।

মানুহৰ ব্যক্তিত্ব কেতিয়াবা আদৰ্শ স্বৰূপে পৰিগণিত হয়। বাইদেউ ইয়াৰ ব্যতিক্ৰম নাছিল। সমাজত এনে বহু ব্যক্তি আছে জীৱনত এশটা বছৰ

জীয়াই থাকিলেও মৃত্যুৰ পিছত সকলো শেষ হৈ যায় আৰু কিছুলোকৰ জীৱন কালত কৰি যোৱা কাম কাজ গুণ গৰিমাবোৰ সময়ৰ বালিত বালিচন্দা হৈ তিৰবিৰাই থাকে। সংগীতা বাইদেউৰ কৰ্মৰাজিবোৰ যেন বালিচন্দা হৈ তিৰবিৰাই থাকিব। সুপৰামৰ্শদাতা, মৃদুভাষী, কাৰোৰে অহিত নিচিন্তা সংগীতা বাইদেউ আমাৰ বাবে এক আদৰ্শ স্বৰূপ।

১৯৯৫ চনৰ পৰা সংগীতা বাইদেউৰ সতে একেলগে কাম কৰিলে। এই সুদীৰ্ঘ কালছোৱাত বাইদেউৰে কেতিয়াবা কাৰোবাক বেয়াকে কোৱাটো মোৰ দৃষ্টিগোচৰ নহল। আনৰ হিত চিন্তা কৰাটো, বিপদত সুপৰামৰ্শদাতা ৰূপে থিয় দিয়াটো, সকলোকে সম ব্যৱহাৰ কৰাটোৰে আছিল তেখেতৰ উদ্দেশ্য।

কলেজত যোগদানৰ দিনা প্ৰথন দেখাটো মোৰ সংগীতা বাইদেউৰ লগত হৈছিল। ৰূমৰ ভিতৰলৈ মাতি নি মোক বহিব মোৰ সতে খুব সুন্দৰভাবে কথা বতৰা পাতিছিল। তেতিয়াই মই তেওঁৰ সৰলতাৰ উমান পাইছিলো। মৰমৰ বাইদেউ আছিল এগৰাকী অসাধাৰণ ব্যক্তিত্বৰ অধিকাৰী। কলেজত ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, কাৰ্য্যালয়ৰ সহায়ক বৃন্দ সকলোৰে লগত মৰম প্ৰীতি ভালপোৱা আছিল। সদায় হাঁহিমুখে নিজৰ মনৰ ভাব প্ৰকাশ কৰিছিল, সদায় সকলোৰে মংগল কামনা কৰিছিল। জীৱনত কোনো দিনাই কোনো কামতে হাৰ নমনা সংগীতা বাইদেউ যে মৃত্যু যুজত হাৰ মানি আমাৰ মাজৰ পৰা এনেকৈ আতৰি যাব একেবাৰে ভাবিব পৰা নাছিলো। ভগবান ইমান নিষ্ঠুৰ হব পাৰেনে? এগৰাকী ধৰ্মপ্ৰানা ব্যক্তি হিচাপে তেখেত পৰিচিত আছিল। ভগৱান পূজা-পাতল, ব্ৰত উপবাস আদিৰ ওপৰত আছিল তেখেতৰ অগাধ বিশ্বাস।

মঙ্গলবাৰে প্ৰায়ে দেৰিলৈ ক্লাচ থকা কাৰণে সংগীতা বাইদেউ আৰু মই বহু সময় ধৰি কথা পাতো। মোৰ ঘৰৰ খবৰ বাতৰি লয়। মোক কয় 'চিন্তা নকৰিবা, সকলো ঠিক হৈ যাব। ভগবানে চকু মেলি চাব।"

আজি সংগীতা বাইদেউ আমাৰ কলেজলৈ নাহে। মৃদু হাহিৰে

'আহিলা' বুলি কবলৈও নাহে। ৰূপালী জয়ন্তীৰ কোনো অনুষ্ঠানতে অংশ লবলৈও নাহে। মাজে মাজে ডিপার্টমেন্টত বনোৱা চাহ কাপ খাবলৈও নামাতে। আমাৰ ঘৰৰ খবৰ বাতৰি লবলৈও নাহে। 'হনুমান চালিচা'খন পঢ়িবলৈ উপদেশ দিবলৈও নাহে আৰু ভৱিষ্যতলৈও নাহিব।

সংগীতা বাইদেউ আপুনি আজি আমাৰ মাজত নাই। আপুনি যতে আছে শান্তিৰে থাকক। আপোনাৰ নশ্বৰ দেহটোহে পঞ্চভূতত বিলীন হৈ গ'ল। কিন্তু আপোনাৰ কৰ্মৰাজি, আমাক দিয়া মৰমখিনি, আমাক দিয়া জ্ঞানখিনিয়ে আমাৰ মাজত আপোনাক সদায়ে জীয়াই ৰাখিব। আমি আপোনাক কেতিয়াও পাহৰিব নোৱাৰো। সদায়ে আপোনাৰ আশীৰ্বাদ আমাৰ কাম্য।

*****

*মহাবিদ্যালয়ত যোগদানৰ পিছত*

# " সংগীতাৰ সোঁৱৰণত "

অৰ্চনা বৰা
সহঃ অধ্যাপক, ৰাজনীতি বিজ্ঞান বিভাগ

১৯৯১ চনৰ আগষ্ট মাহৰ পৰা ২০১৬ চনৰ ২০ ফেব্ৰুৱাৰীলৈ সুদীৰ্ঘ ২৫ বছৰৰ সুখ দুখৰ সমভাগী সঙ্গীতা আৰু নাই। অভাৱনীয়, অবিশাস্য কিন্তু বাস্তৱ সত্য যে সঙ্গীতাক আৰু কেতিয়াও লগ নাপাওঁ মানি লব পৰা নাই যে সংঙ্গীতা স্মৃতি লৈহে আমি থাকিব লাগিব। তোমাৰ স্মৃতি নহয় তোমাকহে আমাৰ কাষত বিচাৰিছিলো। কিন্তু ভগৱানে হয়তো সেইটো বিচৰা নাছিল। সেয়েহে তোমাক আমাৰ মাজৰ পৰা লৈ গ'ল।

সঙ্গীতা বৰঠাকুৰ এগৰাকী শান্ত, গহীন অমায়িক সুৰুচিপূৰ্ণা, কোনো কথাতেই উত্তেজিত নোহোৱা ব্যক্তিত্বৰ অধিকাৰী আছিল। যি কোনো বিষয়তেই ভাবি চিন্তি সিদ্ধান্ত লৈছিল। ভাবি চিন্তি কাম কৰিছিল। চাকৰি সুত্ৰে স্বামী অঞ্জন বৰঠাকুৰ দূৰে দূৰেই থাকিব লগীয়া হোৱাত মিকাৰ দায়িত্ব ঘৰৰ দায়িত্ব শৃংখলাবদ্ধ ভাবে পালন কৰাৰ উপৰিও মহাবিদ্যালয়ৰ কামখিনি সুশৃংখলতাৰে কৰি গৈছিল। সুক্ষ্ম নিৰিক্ষণৰে খুটি নাতি মাৰি কাম কৰিছিল। মহাবিদ্যালয়ৰ যি কোনো কামতেই যেতিয়াই বিছাৰিছিলো সংঙ্গীতাৰ পৰা সহাৰি সদায় পাইছিলো। বোধকৰো ৰুচিবোধৰ মিল থকাৰ কাৰণেই নেকি সঙ্গীতাৰ লগত কাম কৰি বৰ ভাল পাইছিলো। এতিয়াৰ পৰা মহাবিদ্যালয় কামৰ ক্ষেত্ৰত মই ব্যক্তিগত ভাৱে সঙ্গীতাৰ অনুপস্থিতি সদায় অনুভৱ কৰিম। সঙ্গীতা কেৱল মোৰ সহকৰ্মীয়েই বা বান্ধৱীয়ে নহয় আমি বাই ভনীৰ নিচিনাকৈ আছিলো। আপুনিৰ পৰা তুমি তুমিৰ পৰা তই কেতিয়া কেনেকৈ হৈ গৈছিল মনতেই নপৰে দেখোন। বাই ভনীৰ নিচিনাকৈ ইজনীয়ে সিজনীক শাসন

কৰিছিলো। কেতিয়াবা অভিমানো কৰিছিলো। মানে অভিমান সকলো কিন্তু ক্ষন্তেকীয়াহে আছিল। প্ৰতিদিনাই সঙ্গীতা আমাৰ বিভাগৰ আগেদিয়ে নিজৰ বিভাগলৈ যায়। মই মাত দিওঁ সঙ্গীত (ধেমালীতে মই সঙ্গীত বুলি মাতিছিলো) আহিলি সঙ্গীতাই মিচিককৈ হাঁহি কয় ও আহি আছো ৰহ' বুলি বেগটো নিজৰ টেবুলত থৈ মোৰ কাষৰ চকীখনতে বহি আগদিনা আবেলি পৰা পিচদিনা ৰাতিপুৱা লৈ ক'ত কি কৰিলে, মিকা আৰু বৰঠাকুৰৰ লগত কি কথা পাতিলে মাহীদেউৱে কি কৰিলে, ঘৰ বনোৱা মিস্ত্ৰিৰ লগত কি অসুবিধা পালে সকলো খিনি কব। সকলোবোৰ কথা মোৰ কাণত এতিয়াওঁ ভাহি আছে বোধকৰো পাহৰিব নোৱাৰিম কেতিয়াও। বুকুখন বিষায় গৈছে, চকু পানীৰে একো নেদেখা হৈ গৈছো। উস আৰু নোৱাৰো সঙ্গীতা, যি জন-ঈশ্বৰে তোমাক আমাৰ মাজৰ পৰা লৈ গ'ল তেওঁ যেন তোমাক সদায় ভালে ৰাখে, ওপৰৰ পৰাই আমাক চাই থাকিবা। তোমাৰ জীয়ৰী মিকাক আশীৰ্বাদ কৰিবা। মাহীদেউ, বৰঠাকুৰ, ববী তুচমীহতক মনোবল দিবা। তুমি আমাৰ মনত চিৰদিন থাকিবা সঙ্গীতা কেতিয়াও পাহৰি নেযাও তোমাক।

*****

# "শ্ৰদ্ধাঞ্জলি"

ৰীতা শৰ্মা
সহঃ অধ্যাপক, শিক্ষা বিভাগ

মাৰ্চৰ ২৩ তাৰিখে দিনৰ প্ৰথম ভাগত কলেজত ভৰি দিয়েই শুনিলো সংগীতাক জুইয়ে পুৰিলে। অৰ্থনীতি বিভাগলৈ দৌৰি গলো, ভাবিলো তাইক বোধহয় অলপকৈ ধূপে পুৰিলে বা চাহ বনাওতে গৰম পানীয়ে পুৰিলে। কিন্তু তাতে তাইক নেদেখিলো, শুনিলো একেবাৰে নেমকেয়াৰতেই ভৰ্ত্তি কৰিছে, ৩৫% জ্বলিছে। সেইয়ে গ'ল আৰু ঘুৰি নাহিল। সপোনটো ভাবা নাছিলো ২৫ বছৰে একেলগে চাকৰি কৰি একেলগে পঢ়ি তাইৰ মৃত্যুত শ্ৰদ্ধাঞ্জলি জনাম বুলি। নিজকে সান্তনা দিছো তাই বোধহয় আমাৰ মাজত থকাৰ সময়সীমা ইমানেই আছিল।

যিয়েই নহওঁক, ভগৱানে সংগীতাৰ আত্মাক শান্তি প্ৰদান কৰাক, লগতে মিকা আৰু শ্ৰীমান বৰঠাকুৰক জীৱনটো সুকলমে চলাই নিবলৈ শক্তি দিয়ক।

*****

*সহকৰ্মীৰ সৈতে*

# "একাঁজলি শ্ৰদ্ধাঞ্জলি"

যোজনাগন্ধা পাঠক
সহঃ অধ্যাপক, অসমীয়া বিভাগ

ছিঙি পৰিল মালাধাৰ
যন্ত্ৰনাত ছিটিকিল ৰঙ বিৰঙৰ এবুকু মনি
তুমি বৈ গ'লা সাঁকোৰ সিপাৰে
আকুল দৃষ্টিৰ আঁৰত
আঁত হেৰুৱাই থমকিল সপোন
করুণ নিস্তব্ধতাৰ ভাঁজত

সৌম্য সমাহিত ব্যক্তিত্বৰ অধিকাৰী সংগীতা বৰঠাকুৰ বাইদেউৰ আকস্মিক বিয়োগে আমাৰ মনত এক বিশাল শূন্যতাৰ সৃষ্টি কৰিলে। ৰূপে-গুণে অতুলনীয় নম্ৰ স্বভাৱৰ বাইদেউৰ কথা আৰু কামে আমাৰ হৃদয়ত গভীৰভাবে সাঁচ বহুৱাইছিল। মিতভাষী বাইদেউৰ স্মৃতিয়ে আমাক সদায়ে আমনি কৰিব। বাইদেউৰ বিদেহী আত্মাৰ সদগতিৰ বাবে অশ্ৰুঅঞ্জলি যাঁচি ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনালোঁ।

*****

# "সংগীতা বাইদেউৰ স্মৃতিত"

**মিনু দাস**
সহঃ অধ্যাপক, অসমীয়া বিভাগ

